মূল পাঠ ঃ

# সমুদ্ৰভীতি

*হৰেকৃষ্ণ ডেকা*

বৰ ভয় লাগে সমুদ্ৰক-- তথাপি সমুদ্ৰ নিজে নিৰ্বিকাৰ
বুজিব নোৱাৰোঁ কিনো ৰহস্য লুকাই আছে সমুদ্ৰৰ গভীৰ বুকুত—
কিহৰ সংগীত শুনো-মৃত্যু অথবা জীৱনৰ,
তথাপি সমুদ্ৰ নিজে নিৰ্বিকাৰ। ভয় লাগে, সেইবাবে বৰ ভয় লাগে।
যিদৰে নুবুজোঁ মই গৰ্ভৱতী নাৰীৰ দৃষ্টিক
যিদৰে নুবুজোঁ মই ক্লান্তিজীৰ্ণ নয়নৰ ভাষা
সিদৰে নুবুজোঁ এই সমুদ্ৰক। সমুদ্ৰ নিজেই এক সুপ্ৰাচীন নাৰী
চিৰদিন গৰ্ভৱতী। কোনে জানে
জন্ম দিব পাৰে কেনে সন্তানক। হয়তো আভীৰ সেই দস্যুৰ দলক।
মইতো নিজেই পিতৃ। জন্ম দিছোঁ সহস্ৰ সন্তান।
কৰিছোঁ পালন সিহঁতক।
সিহঁতৰ নয়নক আলো দিছোঁ।
কণ্ঠত যাচিছোঁ মোৰ হৃদয়ৰ, বিবেকৰ ভাষা।
কালৰ অক্ষয় গীত এইবাৰ শুনাব খুজিছোঁ সিহঁতক;
সেইবাবে বিচাৰি আহিছোঁ শংখ সমুদ্ৰত -
হঠাতে লাগিল ভয়। বৰ ভয় লাগে-বৰ ভয় লাগে সমুদ্ৰক।

সময় নিজেই নিৰ্বিকাৰ। অতীত ভৱিষ্যত আৰু বৰ্তমান
লীন হৈ একক সময়। তাৰ চৌদিশে
তোমালোকে নাচি ফুৰা। ছায়ানাট কিছুমান।
চিনিব খুজিও হায় চিনিব নোৱাৰোঁ
তেতিয়া হঠাতে লাগে ভয়-কোনেনো চিনিব মোক

কোনেনো চিনিব মোৰ সহস্ৰ সন্তান।
মই জানো সিন্ধুত আহিব বান। যি বানে ঢৌৱাই নিলে
বহু সুপ্ৰাচীন সভ্যতাক।
আকৌ আহিব তেনে বান। ব্যাপ্ত হ'ব সমুদ্ৰ আকৌ।
আন্ধাৰ ছায়াৰ স'তে নিশব্দ খোজেৰে মৃত্যু
আহিব হঠাৎ। সেইবাবে
বৰ ভয় লাগে, বৰ ভয় লাগে সমুদ্ৰক।

তথাপি শংখৰ ধ্বনি নিনাদিত হ'ব বতাহত
যদিও জানিছোঁ মই
নামিব আন্ধাৰ ছায়া অকস্মাৎ, ক্ৰমে ক্ৰমে লুপ্ত হ'ব
সংগীতৰ প্ৰতিটো লহৰ।
দেখিছোঁ সমুদ্ৰ নিজে নিৰ্বিকাৰ। চিৰদিন গৰ্ভৱতী।

মোৰতো হৃদয় জুৰি সৃষ্টি-চেতনাৰ বীজ ব্যাপ্ত আজি
যদিও লাগিছে ভয় সমুদ্ৰক
আৰু তাইৰ প্ৰাচীন বুকুৰ ৰহস্যক।